ৰাজনীতি

বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ ২৪ ঘণ্টাৰ ভিতৰত পদত্যাগ দাবী অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ

মহিলাক প্ৰৱঞ্চনা কৰাৰ অভিযোগত অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ ২৪ ঘণ্টাৰ ভিতৰত পদত্যাগ দাবী কৰিছে অসম প্ৰদেশ মহিলা কংগ্ৰেছে।

প্ৰকাশ: ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৪



গুৱাহাটী, ২৫ নৱেম্বৰ: অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ বিৰুদ্ধে উত্থাপিত অভিযোগক লৈ ৰাজ্য চৰকাৰ আৰু শাসকীয় বিজেপি দলক তীব্ৰ সমালোচনা কৰিছে অসম প্ৰদেশ মহিলা কংগ্ৰেছে। বুধবাৰে গুৱাহাটীত আয়োজিত এক সংবাদমেলত প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে উপাধ্যক্ষগৰাকীক ২৪ ঘণ্টাৰ ভিতৰত বিধানসভাৰ উপাধ্যক্ষ পদৰ পৰা পদত্যাগ কৰিবলৈ দাবী জনায়। বৰঠাকুৰে কয় যে মহিলাক প্ৰৱঞ্চনা কৰাৰ অভিযোগত অভিযুক্ত এজন ব্যক্তিৰ বিধানসভাৰ উপাধ্যক্ষৰ দৰে গুৰুত্বপূৰ্ণ সাংবিধানিক পদত অধিষ্ঠিত হৈ থকাৰ কোনো নৈতিক অধিকাৰ নাই। বিষয়টো সন্দৰ্ভত অসম আৰক্ষীক নিজাবৰীয়াকৈ গোচৰ ৰুজু কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈকো তেওঁ আহ্বান জনায়।

সংবাদমেলত বিজেপি মহিলা মৰ্চাৰ ভূমিকাক লৈও প্ৰশ্ন তোলে কংগ্ৰেছ নেত্ৰীগৰাকীয়ে। মণিপুৰত মহিলাক উলংগ কৰি পেৰেড কৰোৱাৰ ঘটনা, ইন্দ্ৰাণী তহবিলদাৰ, জোনালী নাথ, জোনমণি ৰাভা আৰু চচলত উলংগ প্ৰতিবাদ কৰা মহিলাৰ প্ৰসংগ উল্লেখ কৰি মহিলা মৰ্চাৰ মৌনতাক সমালোচনা কৰে বৰঠাকুৰে। তেওঁ মহিলা মৰ্চাক ‘পাপেট’ বুলি কটাক্ষ কৰি সোধে যে এতিয়া তেওঁলোকে ডাঃ হাবে টেৰণৰ পদত্যাগ দাবী কৰিবনে নকৰে।

মুখ্যমন্ত্রী আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াকো প্রশ্নবাণেৰে থকা-সৰকা কৰে মীৰা বৰঠাকুৰে। ইউনিফর্ম চিভিল ক'ড আৰু নাৰী নির্যাতনৰ বিৰুদ্ধে সোচ্চাৰ হোৱা মুখ্যমন্ত্রীয়ে এই ঘটনাত অভিযোগকাৰী মহিলাগৰাকীক ন্যায় প্রদানৰ বাবে কি পদক্ষেপ লয়, সেয়া স্পষ্ট কৰিবলৈ তেওঁ আহ্বান জনায়। ইফালে, বিজেপিত কোনো বেয়া ব্যক্তি থাকিব নোৱাৰে বুলি কৰা মন্তব্যৰ আলম লৈ ডাঃ হাবে টেৰণ প্রকৃত বিজেপি নে ভেজাল বিজেপি, সেয়া সভাপতিগৰাকীয়ে স্পষ্ট কৰা উচিত বুলি মন্তব্য কৰে। এই প্রসংগত ডিফুৰ ইংলেং নামৰ এজন ব্যক্তি আৰু আন এজন নেতাৰ ভাই�ৰেল ভিডিঅ'ৰ কথাও তেওঁ উল্লেখ কৰে।

বৰঠাকুৰে জানিবলৈ দিয়ে যে মঙলবাৰে নিশা মুখ্যমন্ত্রীৰ লগতে অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকালৈ ই-মেইল আৰু হোৱাটছএপযোগে পত্র প্রেৰণ কৰা হৈছে। প্রয়োজন সাপেক্ষে পত্রৰ ছপা প্রতিলিপি কুৰিয়াৰযোগেও প্রেৰণ কৰা হ'ব। লগতে মহিলা আয়োগৰ কার্যালয়ত কর্মচাৰীৰ উপস্থিতি আৰু অভিযোগকাৰীৰ নিৰাপত্তাক লৈও তেওঁ উদ্বেগ প্রকাশ কৰে।

আইন প্রণেতাই আইন ভংগৰ অভিযোগৰ সন্মুখীন হোৱাটো গুৰুতৰ বিষয় বুলি উল্লেখ কৰি টেৰণক পদৰ পৰা অপসাৰণ কৰি উপযুক্ত শাস্তি প্রদানৰ দাবী জনায় কংগ্রেছে। লগতে নাৰী নির্যাতনৰ বিৰুদ্ধে ৰাজনৈতিক সীমাৰ ঊর্ধ্বত সকলোকে একগোট হ'বলৈ আৰু শিশুকালৰ পৰাই ল'ৰা সন্তানক নাৰীৰ প্রতি সন্মান প্রদর্শনৰ শিক্ষা দিবলৈকো তেওঁ আহ্বান জনায়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6366/habe-teron-resignation-demanded-assam-mahila-congress